Civil Services (Main)
Examination- 2025

SLPM-C-ASSM

# অসমীয়া / ASSAMESE

## ( বাধ্যতামূলক ) / ( Compulsory )

সময়: 3 ঘন্টা
*Time Allowed :* ***Three*** *Hours*

মুঠ নম্বৰ: 300
*Maximum Marks :* ***300***

---

## প্ৰশ্নোত্তৰ বহী সম্পৰ্কীয় বিশেষ নিৰ্দেশনা

***প্ৰশ্নোত্তৰ লিখাৰ আগতে তলৰ পৰামৰ্শাৱলী। নিৰ্দেশনা যত্ন সহকাৰে পঢ়ি লোৱা :***

*সকলোবোৰ প্ৰশ্নৰ উত্তৰ লিখিব লাগিব।*

*প্ৰশ্নটোৰ কাষত প্ৰশ্নটোৰ মূল্যাংক / প্ৰশ্নাংশৰ মূল্যাংক দিয়া আছে।*

*বিশেষ নিৰ্দেশনা নথকা প্ৰশ্নৰ উত্তৰ* ***অসমীয়া ভাষাত (অসমীয়া লিপিৰে)*** *লিখিব লাগিব।*

*প্ৰশ্নোত্তৰৰ বাবে শব্দৰ নিৰ্ধাৰিত সংখ্যা দিয়া থাকিলে তাক মানিব লাগিব আৰু নিৰ্ধাৰিত সংখ্যাতকৈ বেছি বা কম কৰিলে নম্বৰ কটা যাব পাৰে।*

*প্ৰশ্নোত্তৰ বহীৰ কোনোবা পৃষ্ঠা বা পৃষ্ঠাংশ খালি হৈ থাকিলে স্পষ্টকৈ কাটি দিব লাগিব।*

## Question Paper Specific Instructions

***Please read each of the following instructions carefully before attempting questions :***

*All questions are to be attempted.*

*The number of marks carried by a question is indicated against it.*

*Answers must be written in* ***ASSAMESE (Assamese script)*** *unless otherwise directed in the question.*

*Word limit in questions, wherever specified, should be adhered to and if answered in much longer or shorter than the prescribed length, marks may be deducted.*

*Any page or portion of the page left blank in the Question-cum-Answer (QCA) Booklet must be clearly struck off.*

---

**Q1. তলত দিয়া যিকোনো *এটা* বিষয়ত 600 শব্দৰ ভিতৰত এখন ৰচনা লিখা :** *100*

(a) ভাৰতীয় জ্ঞান পৰম্পৰাৰ প্ৰাসঙ্গিকতা

(b) বিশ্বযুদ্ধৰ ক্ৰমবৰ্দ্ধিত আশংকা

(c) ডিজিটেল লেন-দেনৰ লাভ

(d) ক্ৰীড়াক্ষেত্ৰত ভাৰতীয় মহিলাৰ ক্ৰমবৰ্দ্ধিত অংশ গ্ৰহণ

**Q2. তলত দিয়া কথাখিনি পঢ়া আৰু তাৰ তলত দিয়া প্ৰশ্নবোৰৰ স্পষ্ট, শুদ্ধ আৰু সংক্ষিপ্ত উত্তৰ দিয়া :** *12×5=60*

জৈৱ বৈচিত্ৰ্য বিশ্বৰ জীৱিত প্ৰজাতিসমূহৰ বৈচিত্ৰ্য, য'ত সিহঁতৰ বংশীয় বৈচিত্ৰ্য আৰু পৰিৱেশ তন্ত্ৰ গঠন হয়। বৰ্তমান সময়ত এই জীৱ-বৈচিত্ৰ্য ভয়াবহ সংকটৰ সন্মুখীন হৈছে। বৈজ্ঞানিকসকলে এই ক্ষেত্ৰত সহমত পোষণ কৰিছে যে বৰ্তমান গ্ৰীষ্ম মণ্ডলীয় অৰণ্যসমূহৰ ক্ষতি আৰু বিলুপ্তিৰ হাৰ শতকৰা পাঁচৰ পৰা দহ ভাগ সমগ্ৰ গ্ৰীষ্ম মণ্ডলীয় প্ৰজাতিয়ে আগন্তুক পছিশ বছৰৰ প্ৰত্যেক দশকত হেৰুৱাই পেলাব।

বিলুপ্তিৰ এই সংকট গ্ৰীষ্ম মণ্ডলীয় অৰণ্যসমূহৰ মাজতে সীমাবদ্ধ হৈ নাথাকে। নদীসমূহক বান্ধ দি ৰখা আৰু বিদেশী প্ৰজাতিৰ আগমনৰ ফলত বিশুদ্ধ পানীৰ প্ৰাকৃতিক উৎসসমূহত অভূতপূৰ্ব পৰিৱৰ্তনে দেখা দিছে। মহাসাগৰীয় দ্বীপসমূহ, য'ত বিগত কেইবা হেজাৰ বৰ্ষত অধিকাংশ বিলুপ্ত হৈছে সেইবোৰো পৃথিৱীৰ সৰ্বাধিক সংকটগ্ৰস্থ পাৰিপাৰ্শ্বিকীয় তন্ত্ৰসমূহৰ ভিতৰত অন্যতম।

প্ৰজাতি আৰু আনুবংশিক বৈচিত্ৰ্যৰ হানি, প্ৰাকৃতিক আৰু পাৰিপাৰ্শ্বিকীয় তন্ত্ৰৰ ক্ষতি – এইবোৰে বৰ্তমানৰ প্ৰজন্মকে নহয় ভৱিষ্যত প্ৰজন্মলৈয়ো আশংকাৰ সৃষ্টি কৰিব। অচিনাকী খাদ্য, চিকিৎসা আৰু সেইবোৰৰ ঔদ্যোগিক প্ৰয়োগে বৰ্তমান প্ৰজাতিসমূহ বিলুপ্ত হোৱাৰ প্ৰধান কাৰণ। পৰিৱেশ তন্ত্ৰই জনসংখ্যা বহন কৰাৰ ক্ষমতা হেৰুৱাই পেলাইছে আৰু মাটিৰ খহনীয়া, লৱণযুক্ত জলাশয়, স্থানীয় জলবায়ু পৰিৱৰ্তন, মৰুস্থলীকৰণ আৰু উৎপাদন হ্ৰাসৰ দ্বাৰা অত্যধিক মূল্য ভৰিবলগীয়া হৈছে।

জৈৱিক উৎসসমূহৰ মূল্য নিৰ্দ্ধাৰণ কৰিবৰ বাবে তিনিটা প্ৰধান দৃষ্টিভঙ্গী প্ৰয়োগ কৰা হৈছে। উপভোগ-ব্যৱহাৰ মূল্যায়নৰ অন্তৰ্গত খৰি, জীৱ-জন্তুৰ খাদ্য, চিকাৰ কৰা মাংস আদিৰ দৰে উৎসৰ মূল্যায়ন অন্তৰ্ভুক্ত হৈ থাকে, যাৰ ব্যৱহাৰ বজাৰৰ অবিহনেও কৰিব পৰা যায় । উৎপাদক-ব্যৱহাৰ মূল্যায়নত সেই উৎপাদনসমূহৰ মূল্য নিৰ্দ্ধাৰণ কৰা হয় যাক ব্যৱসায়িক দৃষ্টিভঙ্গীৰে কটা আৰু বেচা হয়; যেনে-খৰি, মাছ, মাংস, মৌজোল আৰু ঔষধী গুণযুক্ত পুলি আদি । উপভোক্তাভিন্ন-ব্যৱহাৰ মূল্যায়নত পৰিৱেশতন্ত্ৰীয় কাৰ্য যেনে জলাশয় ক্ষেত্ৰৰ সংৰক্ষণ, সালোক সংশ্লেষণ, জলবায়ু নিয়ন্ত্ৰণ আৰু ভূমিজ উৎপাদনৰ মূল্যায়ন অন্তৰ্গত। সন্তোষজনক কথা এয়ে যে কিছুমান প্ৰজাতি এতিয়াও জীয়াই আছে।

নীতি নিৰ্মাতাসকলে প্ৰায়ে উৎপাদক-ব্যৱহাৰ মূল্যায়ন প্ৰণালীৰ বেছিকৈ প্ৰশংসা কৰা দেখা যায় কাৰণ সেইবোৰে বনানিকৰণ, মীন পালনৰ দৰে বৃহৎ উদ্যোগক সাঙুৰি লয় আৰু যিবোৰ বজাৰ আৰু ব্যৱসায়ৰ লগতে জড়িত হোৱাৰ বাবে ৰাষ্ট্ৰীয় আয় বৃদ্ধিতো প্ৰতিফলিত হয়।

(a) জৈৱ বৈচিত্ৰ্যৰ তাৎপৰ্য কি? 12

(b) বিলুপ্তিৰ সংকট কি? 12

(c) প্ৰজাতীয় আৰু আনুবংশীয় বৈচিত্ৰ্যৰ বিঘিনিৰ ফলত কি ধৰণৰ আশংকাৰ উৎপন্ন হৈছে? 12

(d) উপভোক্তাভিন্ন-ব্যৱহাৰ মূল্যায়নৰ উদ্দেশ্য স্পষ্ট কৰা। 12

(e) নীতি-নিৰ্মাতাসকলে কোন প্ৰকাৰৰ মূল্যায়ন অধিক পছন্দ কৰে আৰু কিয়? 12

**Q3. তলত দিয়া কথাখিনিৰ সাৰাংশ এক-তৃতীয়াংশ শব্দৰ ভিতৰত লিখা। শিৰোনাম দিয়াৰ আৱশ্যকতা নাই। সাৰাংশ তোমাৰ নিজৰ ভাষাত লিখিব লাগিব।** 60

যদি আমি সুখ কি জানিব খোজোঁ, তেনেহ'লে কোনো কাল্পনিক জগতত নহয়, বাস্তৱিক জগতত স্বাচ্ছন্দেৰে আৰু পৰিপূৰ্ণ ৰূপত ভাল জীৱন যাপন কৰি থকা মানুহৰ মাজত সন্ধান কৰিব লাগিব। যদি আপুনি এগৰাকী সঁচাকৈয়ে সুখী মানুহক নিৰীক্ষণ কৰে, তেতিয়াহ'লে দেখিবলৈ পাব তেওঁ এখন নাও সাজি আছে, এটা গীত ৰচি আছে, সন্তানক শিক্ষিত কৰি আছে, নিজৰ বাগিছাত ফুল ৰুই-আছে। তেওঁ সুখক দুৰ্লভ বস্তু বুলি বিচাৰি নাথাকে। দিনটোৰ চৌব্বিশ ঘন্টা ব্যস্ত হৈ থকাৰ সময়তো তেওঁ সুখী হৈ থাকে।

কোনো ব্যক্তিয়ে এনে কোনো কাৰ্যৰে সুখ অনুভৱ নকৰে যি পূৰ্ণৰূপে তেওঁৰ ব্যক্তিত্বৰ ওপৰত কেন্দ্ৰীভূত আৰু তেওঁৰ তৎকালীন প্ৰয়োজন পূৰণৰ সন্তুষ্টিৰ সৈতে জড়িত । একেদৰে যিকোনো ব্যক্তিয়ে এনেধৰণৰ সামাজিক বিষয়ত সুখী হ'ব নোৱাৰে য'ত কেৱল তেওঁৰ নিজৰ আত্মীয়স্বজনক লৈ সংকীৰ্ণ পৰিধিত কেন্দ্ৰীভূত হৈ থাকে । সুখ প্ৰাপ্তিৰ বাবে নিজৰ মাজতে আবদ্ধ নাথাকি বাহিৰতহে বিচাৰিব লাগিব ।

যদি আপুনি কেৱল নিজৰ বাবে জীয়াই থাকে তেন্তে আপুনি সদায় নিজৰ চিন্তা আৰু ৰুচিৰ পুনৰাবৃত্তিৰে বিৰক্তিকৰ মৃত্যু সদৃশ সমস্যাৰ সম্মুখীন হ'ব । বৃহত্তৰ মানবীয় সুখৰ লগত নিজকে বিলীন কৰি দিয়াৰ এটা সুযোগ বাচি লওক । কোনো ব্যক্তিয়ে তেতিয়ালৈকে জীয়াই থকাৰ সাৰ্থকতা বিচাৰি নেপায়, যেতিয়ালৈকে তেওঁ নিজৰ অহংকাৰক মানব সেৱাত সমৰ্পণ নকৰে । যদি আপুনি নিজৰ আকাংক্ষাত গৌৰৱবোধ কৰে, তেন্তে মনৰ মাজতে এখন তালিকা প্ৰস্তুত কৰি লওক । নিজকে প্ৰশ্ন কৰি চাওক যে আপুনি সেই ব্যক্তিগত লক্ষ্যসমূহ লাভ কৰিব বিচাৰে আৰু সুখী হোৱাৰ সুযোগ পৰিত্যাগ কৰিব বিচাৰে নেকি নাইবা সুখী হৈ থকাটোক অগ্ৰাধিকাৰ দি নিজৰ অহংকাৰ অৰ্জিত আভিজাত্য ত্যাগ কৰিব বিচাৰে নেকি ?

যিসকলে অধিক সুখ আৰু সফলতা বিচাৰে তেওঁলোকৰ বাবে জীৱন কেৱল এটা দৰ্শন হ'ব পাৰে, সৃষ্টিশীল পৰোপকাৰিতাৰ দৰ্শন । এগৰাকী প্ৰকৃত সুখী মানুহ সদায় সংঘাতৰ মাজতো আশাবাদী হৈ থাকে । পৰোপকাৰিতাই কেৱল আশাবাদৰ অন্তৰ্গত নহয়, বৰং সামাজিক দায়িত্ব, সামাজিক সাহস আৰু বস্তুনিষ্ঠতাও জড়িত হৈ আছে । এই শ্ৰেণীৰ অন্তৰ্ভুক্ত পুৰুষ আৰু মহিলাসকল হ'ল যিসকলে জীৱনক দৃঢ়তাৰে স্বীকাৰ কৰি লয়, পৰিপক্ক মানুহৰ দৰে বাস্তৱৰ মুখামুখি হয়, ধৈৰ্য সহকাৰে জটিলতাৰ সম্মুখীন হয়, জ্ঞানক সহানুভূতিৰ সৈতে জড়িত কৰে, নিজৰ জীৱনক উৎসাহেৰে হাঁহিমুখে গ্ৰহণ কৰে – এটা শব্দত ক'বলৈ হ'লে এয়াই সম্পূৰ্ণ মানব জীৱন । এটা ভাল জীৱনে সক্ৰিয় পৰোপকাৰৰ ক্ৰীয়াশীল দৰ্শন দাবী কৰে । এইটোৱে এটা সন্তোষজনক জীৱন আৰু মানুহ হিচাপে সুখী হোৱাৰ একমাত্ৰ পথ ।

সুখৰ উপাদান ইমানেই সৰল যে তাক হাতৰ আঙুলিতে গণনা কৰিব পাৰি। সুখ অন্তৰৰ পৰা আহে আৰু অকপট সততা তথা পবিত্ৰ অন্তৰাত্মাৰ ওপৰত ই আধাৰিত। ইয়াৰ বাবে ধৰ্মৰ আৱশ্যকতা নাই। কিন্তু ইয়াক কোনো নৈতিক সিদ্ধান্তৰ ওপৰত আধাৰিত দৰ্শন অবিহনে জানিব নোৱাৰি। স্বাৰ্থ হ'ল ইয়াৰ শত্ৰু। আনৰ সুখতে নিজেও সুখী হয়। ভিৰৰ মাজত দীঘলীয়া সময়ৰ বাবে ইয়াক পোৱা নেযায়, নিৰ্জনতা আৰু গভীৰ চিন্তা-চৰ্চাৰ জৰিয়তেহে পোৱা যায়। ইয়াক কিনিব নোৱাৰি, বাস্তৱতে সুখৰ লগত টকা-পইচাৰ সম্পৰ্ক বৰ কম।

কোনো এগৰাকী ব্যক্তি তেতিয়ালৈকে সুখী হ'ব নোৱাৰে যেতিয়ালৈকে তেওঁ নিজকে যথোচিতভাৱে সন্তুষ্ট কৰিব নোৱাৰে। সেইবাবে আত্ম-পৰীক্ষাৰ নিশ্চয়তাৰেহে শান্তিৰ সন্ধান কৰা উচিত। কৰিবলৈ বহুতো বাকী আছে কিন্তু হোৱাখিনিৰ পৰিমানো যথেষ্ট কম। তথাপি প্ৰত্যেক ব্যক্তিক অনন্য কৰি তোলা গুণৰ সন্ধান গভীৰ আত্ম-বিশ্লেষণৰ ওপৰত নিৰ্ভৰ কৰে আৰু এইবোৰৰ বিকাশৰ দ্বাৰাই আত্ম সন্তুষ্টি পাব পাৰি। এইবাবে যদি কোনোবাই সুখ প্ৰাপ্তিৰ বাবে কাৰ্যক্ৰমনিকা প্ৰস্তুত কৰে সেইবোৰ হ'ব এনেধৰণৰ সীমিত প্ৰাপ্তিতে সন্তুষ্ট থকা, বিলাসিতাৰ ঠাইত মাৰ্জিত জীৱন যাপন কৰা, জাক-জমকতাৰ সলনি পৰিশীলিত জীবনৰ সন্ধান কৰা, যোগ্যতা অৰ্জন কৰা, কঠোৰ অধ্যয়ন কৰা, সুস্থিৰভাৱে চিন্তা-চৰ্চা কৰা, মৃদুভাষী হোৱা, সঠিকভাৱে কাম কৰা, নক্ষত্ৰ আৰু পক্ষী, শিশু আৰু ঋষিসকলক মুক্ত মনে শুনা, সকলো আনন্দ মনেৰে সহ্য কৰা, সকলো কাৰ্য সাহসেৰে কৰা, কেতিয়াও লৰা-লৰি নকৰা আৰু আধ্যাত্মিক, স্বতঃস্ফূৰ্ত আৰু অচেতন অৱস্থাত থকা সামাজিক জীৱনক বিকাশ হ'বলৈ দিয়া। এই কথা মনত ৰখা উচিত যে কোনো চৰকাৰে এই কাম আপোনাক কৰি দিব নোৱাৰে, আপুনি নিজেই কৰি লোৱা উচিত।

*(547 শব্দ)*

**Q4. তলৰ গদ্যাংশ ইংৰাজী ভাষালৈ অনুবাদ কৰা :** **20**

সন্ত্ৰাসবাদ বিশ্ব-মানৱতাৰ বাবে আটাইতকৈ ডাঙৰ ভাবুকি হৈ পৰিছে। আমেৰিকা, ভাৰত, ইজৰাইল আদি দেশবোৰে সন্ত্ৰাসবাদৰ কবলৰ পৰা ওলাই আহিবলৈ চেষ্টা কৰি আছে। কিন্তু সন্ত্ৰাসবাদৰ এই জালখনে বেছিকৈহে মেৰিয়াই ধৰি আছে। প্ৰায়ে সংবাদ পত্ৰৰ প্ৰথম পৃষ্ঠাত বৰ বৰ হৰফেৰে সন্ত্ৰাসবাদীৰ ঘৃননীয় কাৰ্যকলাপ প্ৰকাশ হৈ আহিছে। এই ভয়াবহ খবৰেৰে দিনটোৰ আৰম্ভনি হয়। নাজানো আৰু কিমান দিনলৈ এওঁলোকে নিজৰ স্বাৰ্থৰ বাবে নিৰপৰাধী মানুহক বলি দি থাকিব।

স্বাধীনতাৰ পাছতে কিছুমান বিদেশী শক্তিৰ প্ৰৰোচনাত পৰি কিছুমান মানুহে ভাৰতত সন্ত্ৰাসবাদৰ বীজ সিঁচি দিছিল । তাৰ শিপা সমগ্ৰ দেশতে বিয়পি পৰি বৰ্তমানৰ পৰিস্থিতি অত্যন্ত শোচনীয় হৈ পৰিছে । কাশ্মীৰত সন্ত্ৰাসবাদে এক ভয়াবহ ৰূপ ধাৰণ কৰিছে । তাৰ মূল বাসিন্দাসকলে এতিয়া শৰনাৰ্থীৰ দৰে জীয়াই থাকিবলগীয়া হৈছে । ইয়াত প্ৰতিটো দিন ভয়েৰে অতিবাহিত হয় – আজি বা কি হয় ? কেৱল কাশ্মীৰেই নহয় অসম, পশ্চিমবঙ্গ, নাগালেণ্ড আদি ৰাজ্যতো সন্ত্ৰাসবাদীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছে । এই সকলোবোৰ ৰাজ্যতে আইন-কানুনৰ ব্যৱস্থাটো প্ৰত্যাহ্বানমূলক হৈ পৰিছে । সেনা তথা পুলিচে এই সমস্যাটো দেশৰ পৰা দূৰ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰি আহিছে । সন্ত্ৰাসবাদ নিৰ্মূল কৰিবলৈ চৰকাৰেও বিভিন্ন উপায় অৱলম্বন কৰিছে, কিন্তু জনসাধাৰণৰ সহযোগিতাও ইয়াৰ বাবে আৱশ্যক । যদি সকলোৱে নিজৰ, ধৰ্মীয় স্বাৰ্থ আৰু আঞ্চলিকতাবাদ ত্যাগ কৰি এক ভাৰতবাসী হৈ থাকে, তেতিয়াহ'লে এই সমস্যাৰ সমাধান হ'ব পাৰে । যিকোনো প্ৰকৃত মানুহে আন মানুহৰ ক্ষতি কৰিব নিবিচাৰে, কাৰণ সন্ত্ৰাসবাদ একপ্ৰকাৰৰ পাশৱিকতা । সকলোৱে ঐক্যবদ্ধ আৰু সংগঠিত হৈ এই সমস্যা পৃথিৱীৰ পৰা নিঃশেষ কৰাত সহযোগ কৰা উচিত তথা পৃথিৱীত শান্তি আৰু সৌহাৰ্দৰ ভাৱনা স্থাপন কৰা উচিত । তেতিয়াহে দেশ আৰু সমাজ পূৰ্ণ ৰূপত প্ৰগতিৰ পথেৰে অগ্ৰসৰ হ'ব পাৰিব ।

**Q5. তলত দিয়া গদ্যাংশ অসমীয়া ভাষালৈ অনুবাদ কৰা :** *20*

Healthy children are an essential component of an effective education system. Good health reduces absenteeism and dropouts and increases scholastic performance. An effective school health programme is one of the most cost-effective approaches in improving community health. School health activities contribute to healthy lifestyles, thus leading to a healthy future generation. School children also communicate the health-related information gained in schools to their families and neighbourhood, contributing to improved family and community health. The functions of school health services include detection and treatment of defects, creation and maintenance of hygienic environment in and around the school, provision of school meals, and improvement of nutritional status of children. This may be further enlarged to include health check-ups and immunisation campaigns.

**Q6. (a) তলত দিয়া জতুৱা খণ্ডবাক্যকেইটা ব্যৱহাৰ কৰি একোটাকৈ বাক্য ৰচনা কৰা :** *2×5=10*

(i) কপাল ফুলা *2*

(ii) চকুৰ মণি *2*

(iii) হাত দীঘল *2*

(iv) মাটিৰ মানুহ *2*

(v) ভৰি চেলেকা *2*

**(b) তলত দিয়া ফকৰা-যোজনা দুটাৰ ভাব-সম্প্ৰসাৰণ কৰাঁ :** *5×2=10*

(i) উলুৰ লগত বগৰী পোৰা *5*

(ii) ঘৰত নাই কণটো
বৰ সবাহলৈ মনটো *5*

**(c) তলত দিয়া শব্দবোৰৰ প্ৰত্যেকৰে একোটাকৈ বিপৰীত অৰ্থবাচক শব্দ লিখা :** *1×10=10*

(i) অতিবৃষ্টি *1*

(ii) ক্ষুদ্ৰ *1*

(iii) উপকাৰ *1*

(iv) যোগ *1*

(v) সধৱা *1*

(vi) নতুন *1*

(vii) প্ৰৱেশ *1*

(viii) গধুৰ *1*

(ix) জ্ঞানী *1*

(x) ঘৰচীয়া *1*

(d) **তলত দিয়া বাক্যাংশসমূহ এটা শব্দত প্ৰকাশ কৰা** : *1×10=10*

(i) বৰষুণ নোহোৱা বতৰ *1*

(ii) খাৰণি সনা সৰিয়হৰ গুৰি *1*

(iii) যি ভিক্ষাৰে জীৱন নিৰ্বাহ কৰে *1*

(iv) বিহুৰ আগদিনা *1*

(v) ভাজি খাবলৈ অনা সৰু কলৰ পুলি *1*

(vi) গৰু বন্ধা ঘৰ *1*

(vii) ভূঁই ৰোৱা তিৰোতা *1*

(viii) যিয়ে বিষ্ণুক উপাসনা কৰে *1*

(ix) শৰৎ কালত হোৱা অনুষ্ঠান *1*

(x) দুয়োটা চকুৰে নেদেখা লোক *1*